**প্ৰেছ বাৰ্তা নং ঃ ৩৬০/২০২২**

# আন্দোলন বিবৰ্জিত আৰু সন্ত্ৰাসবাদমুক্ত শান্তিৰ অসমে প্ৰগতিৰ এক নতুন ভেটি নিৰ্মাণ কৰিছে ঃ মুখ্যমন্ত্ৰী

## মৰিগাঁও জিলাত প্ৰায় ৯১০.১৩ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

- **প্ৰস্তাৱিত মৰিগাঁও চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদত এখন কৰ্কট চিকিৎসালয়, বিএছচি নাৰ্চিং কলেজ, জিএনএম স্কুল আৰু এখন দন্ত্য চিকিৎসালয় নিৰ্মাণ কৰা হ'ব**
- **অহা ১২ ডিচেম্বৰৰ পৰা আৰম্ভ হ'ব অৰুণোদয় আঁচনিৰ সম্প্ৰসাৰণৰ কাম**
- **মৰিগাঁও জিলাত নতুনকৈ প্ৰায় ১৮ হাজাৰ অৰুণোদয় হিতাধিকাৰী অন্তৰ্ভুক্ত হ'ব**
- **ৰেচন কাৰ্ড থকা লোকক বছৰি ৫ লাখ টকা পৰ্যন্ত প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত আঁচনিৰ সুবিধা**
- **মৰিগাঁৱত নতুনকৈ ৫ হাজাৰ লোকে লাভ কৰিব ৰেচন কাৰ্য**
- **৩০ জানুৱাৰীৰ আগেয়ে ৩০হাজাৰ চৰকাৰী পদত নিযুক্তিৰ বিজ্ঞাপন**

**দিছপুৰ, ৮ ডিচেম্বৰ ঃ** জনতাৰ মাজলৈ বিকাশৰ ভাগিৰথী যাত্ৰা অব্যাহত ৰাখি 'বিকাশৰ বাবে এটা পযেক' কাৰ্যসূচীৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাত এখন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালকে ধৰি প্ৰায় ৯১০.১৩ কোটি টকা ব্যয় সাপেক্ষ মুঠ ১২ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই মৰিগাঁও জিলাৰ বঘৰাত আধাৰশিলা স্থাপন কৰা চিকিৎসা মহাবিদ্যালয় তথা হাস্পতালখন ৪৩০ খন বিচনাযুক্ত হ'ব আৰু বাৰ্ষিক ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তিৰ সুবিধা লাভ কৰিব। ১০২ বিঘা ৪ কঠা ১০ লেচা মাটি সামৰি নিৰ্মাণ কৰিবলগীয়া এই চিকিৎসালয়খনৰ মুঠ নিৰ্দ্ধাৰিত প্ৰকল্প ব্যয় হৈছে ৬৪৭.৩৭ কোটি টকা। মুখ্যমন্ত্ৰীয়ে আজি ১৩.০৯ কোটি টকা ব্যয় সাপেক্ষে জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত জাগীৰোড আঞ্চলিক ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত ৰাজ্য চৰকাৰৰ এছ অ' পি ডি আঁচনিৰ অধীনত প্ৰস্তাৱিত মিনি ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলাও স্থাপন কৰে। উল্লেখ্য যে এই প্ৰকল্পত ফিফা মানদণ্ডৰ এখন ফুটবল খেলপথাৰ, ১ হাজাৰখন আসন বিশিষ্ট পকী চালিযুক্ত পেভেলিয়ন আৰু গেলেৰী, ফ্লাড লাইটৰ লগতে ব্যৱসায়িক দিশৰ প্ৰতি লক্ষ্য ৰাখি ১৬ খন দোকানৰ ব্যৱস্থা গঢ়ি তোলা হ'ব। আনহাতে মুখ্যমন্ত্ৰীয়ে ১২.৬৬ কোটি টকা ব্যয় সাপেক্ষে মাণিপুৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত মিনি ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পটিৰ অধীনত ২১০ খন আসনযুক্ত ইণ্ডোৰ ষ্টেডিয়াম,

ফিফা মানদণ্ডৰ এখন ফুটবল খেলপথাৰ, ১ হাজাৰখন আসন বিশিষ্ট পকী চালিযুক্ত পেভেলিয়ন আৰু গেলেৰী আদি নিৰ্মাণ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে আজি মৰিগাঁও চৰকাৰী পলিটেকনিকখনক এক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ বাবে ৫০৩.৬৪ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে এক অত্যাধুনিক কৰ্মশালা, উন্নত মানৰ কাৰিকৰী গৱেষণাগাৰ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। আনহাতে, বনপাৰাত অৱস্থিত চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ কামৰ আধাৰশিলাও স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে মুঠ ৫০৩.৬৪ লাখ টকা নিৰ্দ্ধাৰিত পুঁজিৰে মৰিগাঁও জিলাৰ বনপাৰাত অৱস্থিত চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ কামৰ বাবে গ্ৰহণ কৰা এই প্ৰকল্পৰ অধীনত এক অত্যাধুনিক কৰ্মশালা আৰু এক উন্নত মানৰ কাৰিকৰী গৱেষণাগাৰ নিৰ্মাণ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে বসুন্ধৰী পাহাৰৰ পৰা কিলিং কপিলী সংযোগস্থলীলৈ মথাউৰিৰ ওপৰেৰে পথ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। মুঠ ২৪৯৬.৮৭ লাখ টকা নিৰ্ধাৰিত পুঁজিৰে মৰিগাঁও জিলাৰ বসুন্ধৰী পাহাৰৰ পৰা কিলিং কপিলী সংযোগস্থলীলৈ মথাউৰিৰ ওপৰেৰে ১৪.৭০ কিঃমিঃ দৈৰ্ঘ্যৰ এই পথছোৱা নিৰ্মাণ হৈ উঠিলে যাতায়াত ব্যৱস্থা সুচলতৰ হৈ উঠিব। আনহাতে, ১৯৮৪.৮০ লাখ টকা নিৰ্ধাৰিত পুঁজিৰে ব্ৰহ্মপুত্ৰৰ পৰা ধিং হৈ হিলৈখুণ্ডালৈ মথাউৰিৰ ওপৰৰে নিৰ্মাণ কৰিবলগীয়া পথছোৱাৰো আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ১৯৩৫.৭৪ লাখ টকা নিৰ্ধাৰিত পুঁজিৰে মৰিগাঁও জিলাৰ শ'লমাৰী গাঁৱৰ পৰা ওজাগাঁৱলৈ মথাউৰিৰ ওপৰেৰে নিৰ্মাণ কৰিবলগীয়া পথছোৱাৰো আধাৰশিলা স্থাপন কৰে। এই পথছোৱাৰ দৈৰ্ঘ্য হৈছে ১২.৮০ কিঃমিঃ। মুখ্যমন্ত্ৰীয়ে জাগীৰোড-মৰিগাঁও সংযোগী পথৰ ভকতগাঁওত কপিলী নদীৰ ওপৰত আৰ.চি.চি. দলং নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ৮০.২৫ কোটি টকা নিৰ্ধাৰিত পুঁজিৰে নিৰ্মিত হ'বলগীয়া এই প্ৰকল্পৰ মুঠ দৈৰ্ঘ্য হৈছে ১.২৪০ কিঃমিঃ। ইয়াৰে পকী দলংখনৰ দৈৰ্ঘ্য ২০৫ মিঃ। এই প্ৰকল্পৰ দলঙখন আৰু সংলগ্ন পথছোৱা সম্পূৰ্ণ হলে জাগীৰোড-মৰিগাঁও পথৰ মাজেৰে কাষৰ সংলগ্ন জিলাসমূহৰ পৰা গুৱাহাটীৰ সৈতে ৪-লেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰে যানবাহনৰ চলাচল সুচল হৈ উঠিব।

ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত মূৰকাটাত খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰ আধাৰশিলাও স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। ৯.৮৩ কোটি টকা নিৰ্ধাৰিত পুঁজিৰ এই খহনীয়া প্ৰতিৰোধ প্ৰকল্পৰ দৈৰ্ঘ্য হৈছে ৭০০ মিটাৰ। পাভকাটি-গৰুবন্ধা অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰ অংশ হিচাপে ৩৫.১৮ কোটি টকাৰ এক প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। এই খহনীয়া প্ৰতিৰোধ ব্যৱস্থাৰ দৈৰ্ঘ্য হৈছে ২২০০ মিটাৰ। মোৰামাৰীত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰ লগতে মথাউৰি নিৰ্মাণৰ বাবে প্ৰায় ৩৭.৫৪ কোটি টকা নিৰ্ধাৰিত পুঁজিৰে এটি প্ৰকল্পৰো আজি আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। ইয়াৰে খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰ প্ৰকল্পৰ দৈৰ্ঘ্য হৈছে ২৯৫৪ মিটাৰ আৰু নিৰ্মাণ কৰিবলগীয়া মথাউৰিৰ দৈৰ্ঘ্য ৯৩০ মিটাৰ আৰু প্ৰস্থ ৬ মিটাৰ।

এই উপলক্ষে আয়োজিত জনাকীৰ্ণ ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰে পৰা মৰিগাঁও জিলাই অসমৰ বিকাশৰ মানচিত্ৰত উজ্জ্বলতম স্থান গ্ৰহণ কৰিলে বুলি মন্তব্য কৰে। তেওঁ কয় যে মৰিগাঁৱত একেদিনাই প্ৰায় ৯০০ কোটি টকাৰ প্ৰকল্প বিগত ৭৫ বছৰত কেতিয়াও হোৱা নাছিল। ভাষণ

প্ৰসংগত মুখ্যমন্ত্ৰীয়ে মৰিগাঁৱৰ সমৃদ্ধ ইতিহাস স্মৰণ কৰি কয় যে কৃষিকে ধৰি বিভিন্ন দিশত জিলাখনত প্ৰচুৰ সম্ভাৱনা লুকাই আছে। জাতীয় জীৱনৰ ঐতিহ্যৰে সমাহিত মৰিগাঁও জিলাত এখন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰি গৌৰৱ অনুভৱ কৰা বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ সময়ছোৱাতে এই চিকিৎসা মহাবিদ্যালয়খন ৰাইজৰ সেৱাৰ বাবে মুকলি কৰাৰ লক্ষ্য লোৱা হৈছে। এই চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰাঙ্গনতে এখন কৰ্কট চিকিৎসালয়, এখন বি এছ চি নাৰ্ছিং মহাবিদ্যালয়, এখন জি এন এম নাৰ্ছিং বিদ্যালয় আৰু এখন দন্ত্য মহাবিদ্যালয় স্থাপনৰো পৰিকল্পনা লোৱা হৈছে বুলি সদৰি কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে মৰিগাঁৱক স্বাস্থ্য শিক্ষাৰ ক্ষেত্ৰত এক ‘হাব’ হিচাপে নিৰ্মাণ কৰাৰ চেষ্টা চলাব।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে যে ৰাজ্য চৰকাৰে অসমক দূৰন্ত গতিৰে বিকাশ আৰু প্ৰগতিৰ পথলৈ লৈ যাব বিচাৰিছে। যোৱা ৫ ডিচেম্বৰত বঙাইগাঁৱৰ পৰা এই কৰ্মযজ্ঞ আৰম্ভ হৈছে। ৰাজ্য চৰকাৰে অসমৰ বুকুলৈ বিকাশৰ গংগা নমাই অনাৰ প্ৰচেষ্টা লৈছে আৰু ইয়াৰ সমান্তৰালকৈ দৰিদ্ৰতা দূৰীকৰণৰ কাৰ্যসূচীসমূহো হাতত লৈছে। তেওঁ কয় যে মূলধনৰ উচিত ব্যৱহাৰ কৰি কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাকৈ জনসাধাৰণৰ প্ৰগতি আৰু উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ দিশত ৰাজ্য চৰকাৰে আগবাঢ়িছে। বিগত ডেৰ বছৰত অসমত বিৰাজ কৰা অভূতপূৰ্ব শান্তিৰ পৰিৱেশৰ বাবে এয়া সম্ভৱ হৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আন্দোলন বিবৰ্জিত আৰু সন্ত্ৰাসবাদমুক্ত শান্তিৰ অসমে প্ৰগতিৰ এক নতুন ভেটি নিৰ্মাণ কৰিছে। ২০২৬ চনলৈ যদি এই পৰিৱেশ বিৰাজ কৰে তেন্তে ৰাজ্যখন দেশৰ ভিতৰতে সোণত সুৱগা চৰা শ্ৰেষ্ঠ ভূমিলৈ ৰূপান্তৰিত হ’ব বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ‘সবকা সাথ, সবকা বিকাশ’ নীতি আগত ৰাখি ৰাজ্য চৰকাৰ আগবাঢ়িছে আৰু অসমৰ উন্নয়নে আজি নতুন দিগন্তলৈ গতি কৰিছে। বিকাশৰ এই গংগা ধৰি ৰাখিব লাগিব বুলিও তেওঁ মন্তব্য কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক ১২ ডিচেম্বৰৰ পৰা ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ অধীনত নতুন হিতাধিকাৰী অন্তৰ্ভূক্তিৰ কাম আৰম্ভ কৰিব আৰু লাহৰিঘাট, মৰিগাঁও আৰু জাগীৰোড সমষ্টিৰ পৰা মুঠ ১৮ হাজাৰ নতুন হিতাধিকাৰী আঁচনিখনত অন্তৰ্ভূক্ত হ’ব। তেনেদৰে মৰিগাঁও জিলাত নতুনকৈ ৫ হাজাৰ লোকক ৰেচন কাৰ্ড প্ৰদান কৰা হ’ব বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰেচন কাৰ্ড থকা লোকক বছৰি ৫ লাখ টকা পৰ্যন্ত প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত বিনামূলীয়া চিকিৎসা সেৱা লাভৰ সুবিধা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে উদ্যোগ গ্ৰহণ কৰিছে। এই ৰেচন কাৰ্ডখনৰ জৰিয়তেই হিতাধিকাৰীসকলে দেশৰ বিভিন্ন ৰাজ্যৰ চিকিৎসালয়তো বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিব পাৰিব। আগন্তুক বৰ্ষৰ ৩০ জানুৱাৰীৰ আগেয়ে ৩০ হাজাৰ চৰকাৰী পদত নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ কৰা হ’ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী চাকৰিৰ পৰিৱৰ্তে নিজ কৰ্মৰ দ্বাৰা স্বাৱলম্বী হ’ব খোজা যুৱক-যুৱতীসকলৰ বাবেও ৰাজ্য চৰকাৰে ৫ হাজাৰ কোটি টকাৰ এখন আঁচনি মুকলি কৰিব। তেওঁ কয় যে এক লাখ যুৱক-যুৱতীক চৰকাৰী পদত নিযুক্তি আৰু ৫ লাখ যুৱক-যুৱতীক স্ব-নিৰ্ভৰশীল কৰাৰ পণ লৈ ৰাজ্য চৰকাৰ আগবাঢ়িছে।

মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত জিলাখনৰ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অভিভাৱক মন্ত্ৰী তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰীকা, জয়ন্ত মল্লবৰুৱা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা অসম খাদ্য, অসামৰিক যোগান নিগমৰ অধ্যক্ষ ৰাজেন গোহাঁই, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, লাহৰীঘাট সমষ্টিৰ বিধায়ক ড° আচিফ মহম্মদ নাজৰ, তিৱা স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, মৰিগাঁও জিলাৰ উপায়ুক্ত দেৱাশিষ শৰ্মা, তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰিমল আমচি, লোকনিৰ্মাণ (পথ) বিভাগৰ বিশেষ সচিব দেৱজিৎ ভূঞাকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

আজি মৰিগাঁও জিলা ভ্ৰমণকালতে মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্ৰী নৰোৱা কুঁজিসত্ৰও দৰ্শন কৰে আৰু সত্ৰৰ চৌহদত শিল্পকলা তথা প্ৰাচীন সম্পদ সংগ্ৰহালয় আৰু নৱনিৰ্মিত অতিথিশালাৰ দ্বাৰো মুকলি কৰে। সত্ৰখনৰ আন্তঃগাঁথনিকে ধৰি বিভিন্ন দিশৰ উন্নয়নৰ অৰ্থে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা যাৱতীয় সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলিও তেওঁ কয়। আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ভাৰতীয় জনতা পাৰ্টিৰ মৰিগাঁও জিলা সমিতিৰ কাৰ্যালয় ভৱনটিও উদ্বোধন কৰে।

**নিঃকুঃদাঃ**
**০৮/১২/২০২২**